জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭/২০২১

# ৰাজ্যখনৰ শেহতীয়া ক'ভিড পৰিস্থিতি পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

## প্ৰতিদিনে ১ লাখ লোকক ক'ভিড টেষ্ট কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## কনটেইনমেন্ট জ'নৰ দুখীয়া পৰিয়ালক দুসপ্তাহৰ বাবে বিনামূলীয়াকৈ খাদ্যৰ যোগান ধৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## ইনষ্টিটিউশ্যনেল কোৱাৰেন্টাইন, মাইক্ৰ কন্টেইনমেন্ট জ'ন আৰু ক'ভিড কেয়াৰ চেন্টাৰৰ সংখ্যা বৃদ্ধি কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১২ মে' ঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনত অনুষ্ঠিত এক বৈঠকত ৰাজ্যখনৰ শেহতীয়া ক'ভিড পৰিস্থিতি আৰু এই ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাৰাজীৰ বিষয়ে পৰ্যালোচনা কৰে। এই বৈঠকত ৰাজ্যৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে সবিশেষ আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰতিদিনে এক লাখ লোকক ক'ভিড পৰীক্ষা কৰাৰ বাবে নিৰ্দেশ দিয়াৰ লগতে ৫০ লাখ ৰেপিড এন্টিজেন টেষ্ট কিট ক্ৰয় কৰাৰ বাবেও নিৰ্দেশ দিয়ে। ৰাজ্যখনৰ প্ৰতিখন জিলাৰ শেহতীয়া ক'ভিড পৰিস্থিতি আৰু এই ক্ষেত্ৰত চৰকাৰী নিৰ্দেশাৱলী সঠিক ভাবে ৰূপায়নৰ দিশটো ভিডিঅ' কনফাৰেন্স যোগে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে দুদিনৰ পিছতে পৰ্যালোচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে ইনষ্টিটিউশ্যনেল কোৱাৰেন্টাইনৰ লগতে মাইক্ৰ' কন্টেইনমেন্ট জ'নৰ সংখ্যা বৃদ্ধি কৰিবলৈ স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে। আনহাতে মানবীয় দৃষ্টিভংগীৰে ক'ভিড মহামাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ অংশ হিচাপে কন্টেইনমেন্ট জ'নত থকা দুখীয়া ব্যক্তিসকলক দুসপ্তাহৰ বাবে বিনামূলীয়াকৈ খাদ্যৰ যোগান ধৰিবলৈ বৈঠকত মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিড কেয়াৰ চেন্টাৰৰ সংখ্যা বৃদ্ধি কৰিবলৈও কয়। ক'ভিড ৰোগীসকলে যাতে চিকিৎসালয়সমূহত সকলো ধৰণৰ চিকিৎসা সুবিধা লাভ কৰে, সেয়া সুনিশ্চিত কৰাৰ উপৰি মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক ৰেমডিচিভিৰ বেজীও পৰ্যাপ্ত পৰিমাণে মজুত ৰখাৰ বাবে নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা সভাত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, বিধায়ক তৰংগ গগৈ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ সিনহা, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ পৰিচালন সঞ্চালক লক্ষমনন এছ আৰু অন্যান শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বীঃগঃ**
১২/০৫/২০২১

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in